(11) পৰিৱেশ নাৰীবাদ (Eco Queere faminism)

(11) সমকামী নাৰীবাদ ( Queerr " )

এই চোৰ নাৰীবাদে বিশ্বৰ বিভিন্ন প্ৰান্তৰ নাৰীৰ সমস্যা বিশ্লেষণ কৰি এক বহুমুখী নাৰীবাদ গঢ়ি তুলে।

Q. ✶. উদাৰবাদী নাৰীবাদঃ উদাৰবাদী নাৰীবাদ হৈছে নাৰীবাদৰ এক গুৰুত্বপূৰ্ণ আৰু পুৰণি ধাৰা, যি উদাৰবাদ নামৰ ৰাজনৈতিক মতবাদৰ ওপৰত আধাৰিত। ই ব্যক্তি স্বাধীনতা, সমান অধিকাৰ, যুক্তিবাদ আৰু গণতান্ত্ৰিক শাসন ব্যৱস্থাৰ ওপৰত গুৰুত্ব দিয়ে। উদাৰবাদী নাৰীবাদৰ মতে সমাজত নাৰী আৰু পুৰুষৰ মাজত থকা বৈষম্যৰ মূল কাৰণ হৈছে আইনী আৰু সামাজিক নিষেধ যিবোৰে নাৰীক সমান সুযোগ সুবিধা লাভ কৰাত বাধা দিয়ে। সমান সুযোগ সুবিধা লাভ কৰাত বাধা দিয়ে। সেয়েহে নাৰীৰ মুক্তিৰ বাবে সমাজৰ গাঁথনি সম্পূৰ্ণ পৰিৱৰ্তন আইন সংস্কাৰ আৰু সচেতনতা বৃদ্ধিৰ খুবেই প্ৰয়োজন। উদাৰবাদী নাৰীবাদে বিশ্বাস কৰে যে নাৰী সকল পুৰুষৰ সমান যুক্তিবাদী আৰু সক্ষম ব্যক্তি। ঐতিহাসিক, নাৰীক শিক্ষাৰ পৰা বঞ্চিত কৰা, ৰাজনীতি আৰু অৰ্থনীতিৰ ক্ষেত্ৰত অংশগ্ৰহণৰ পৰা আঁতৰাই ৰাখি সমাজে তেওঁলোকক দুৰ্বল কৰি ৰাখিছে। সেয়েহে এই ধাৰাই প্ৰথমে শিক্ষাৰ সমান সুযোগৰ ওপৰত গুৰুত্ব আৰোপ কৰে। তেওঁলোকৰ মতে যদি নাৰীক মান সম্পন্ন শিক্ষা প্ৰদান কৰা হয়, তেন্তে তেওঁলোকে পুৰুষৰ দৰে দক্ষতা আৰু

যোগ্যতা প্ৰদৰ্শন কৰিব পাৰিব।

উদাৰবাদী নাৰীবাদৰ এক গুৰুত্বপূৰ্ণ লক্ষ্য আছিল নাৰীৰ ভোটাধিকাৰ লাভ। তেওঁলোকৰ মতে ৰাজনৈতিক অধিকাৰ নাথাকিলে নাৰীয়ে নিজৰ স্বাৰ্থ আৰু অধিকাৰ নোৰ সুৰক্ষিত কৰিব নোৱাৰিব। এই সংগ্ৰামৰ ফলস্বৰূপে বহু দেশত নাৰীয়ে ভোটাধিকাৰ লাভ কৰে। ইয়াৰ উপৰিও কৰ্মক্ষেত্ৰত সমান মজুৰি, সমান পদোন্নতিৰ সুযোগ, সম্পত্তিৰ অধিকাৰ আৰু ব্যক্তিগত স্বাধীনতাৰ দাবীও উদাৰবাদী নাৰীবাদৰ গুৰুত্বপূৰ্ণ অংশ। এই ধাৰাৰ মতে বৈষম্যৰ মূল কাৰণ হৈছে লিংগ ভিত্তিক ভ্ৰান্ত সামাজিক ধাৰণা। যদি আইন আৰু নীতি নিয়মৰ জৰিয়তে এই বৈষম্য দূৰ কৰা যায় তেন্তে সমাজত নাৰী আৰু পুৰুষৰ মাজত সমতা প্ৰতিষ্ঠা কৰা যাব। সেয়েহে উদাৰবাদী নাৰীবাদে সাংবিধানিক অধিকাৰ, গণতান্ত্ৰিক আইন, সামাজিক সংস্কাৰৰ ওপৰত গুৰুত্ব দিয়ে। তথাপি এই ধাৰাৰ কিছু সীমাবদ্ধতাও আছে। সমালোচক সকলৰ মতে, উদাৰবাদী নাৰীবাদে মূলত মধ্যবিত্ত নাৰীৰ সমস্যাৰ ওপৰত অধিক গুৰুত্ব দিয়ে; আৰু সমাজৰ গভীৰ আৰ্থ সামাজিক অসমতা সম্পূৰ্ণৰূপে সমাধান কৰিব নোৱাৰে। কেৱল আইনী ক্ষমতা থাকিলেও বাস্তৱ জীৱনত সমতা নিশ্চিত নহয়। তথাপি নাৰীৰ আইনী আৰু ৰাজনৈতিক অধিকাৰ নিশ্চিত কৰাৰ ক্ষেত্ৰত উদাৰবাদী নাৰীবাদৰ অৱদান অত্যন্ত গুৰুত্বপূৰ্ণ।